# মধ্যযুগ

সম্পাদনা ঃ ৰাজু ৰেগন



# মধ্যযুগ

সম্পাদনা ঃ ৰাজু ৰেগন

নিৰীক্ষণ প্ৰকাশন

Madhyajug

# মধ্যযুগ

সম্পাদনা ঃ ৰাজু ৰেগন

**ISBN : 978-93-82723-40-0**

নিৰীক্ষণ প্ৰকাশন, অসমীয়া ভাষা আৰু ছফ্‌টৱেৰ বিকাশ কেন্দ্ৰ,
আৰ. জি. বৰুৱা ৰোড, কমাৰ্চ কলেজৰ বিপৰীতে, গুৱাহাটী-৩ৰ হৈ ৰাগিণী পূবালী বৰাবদ্বাৰা
প্ৰকাশিত আৰু শৰাইঘাট অফছেট প্ৰেছ, গুৱাহাটীত মুদ্ৰিত।
ফোন ঃ +91-84039-96206

প্ৰথম প্ৰকাশ ঃ ২০১৬
© সংশ্লিষ্ট লেখক

প্ৰচ্ছদসজ্জা আৰু অংগসজ্জা ঃ অৰবিন্দ ৰাজখোৱা
(প্ৰচ্ছদত বিশ্বনাথ জিলাৰ কলাবাৰীত অৱস্থিত বাসুদেৱ দৌলৰ বেৰৰ ভাস্কৰ্যৰ
আলোকচিত্ৰ ব্যৱহাৰ কৰা হৈছে।)

মূল্য ঃ ২০০ টকা

The book is sold subject to the condition that it shall not, by way of trade or otherwise, be lent resold, hired out, or otherwise circulated in any form or by any means electronics, mechanical, photocopying, recording or otherwise, or stored on any retrieval system of any nature without concern writer's or the publisher's writing consent in form of binding cover. This right is asserted by the publisher in accordance with the Copyright Act, 1957 (as amended).

₹ 200

উছৰ্গা

ড° বসন্ত কুমাৰ শৰ্মা ছাৰলৈ
শ্ৰদ্ধাৰে।

# পাতনি

অসমীয়া সমাজ-সভ্যতা-সংস্কৃতিৰ ইতিহাসত মধ্যযুগটো অতি গুৰুত্বপূৰ্ণ যুগ। অন্যান্য দিশৰ কথা বাদ দিও অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ দিশতেই এই যুগটো অতি গৌৰৱোজ্জ্বল যুগ। এই যুগতেই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিয়ে বিচিত্ৰতা আৰু বিশালতাৰে বিকাশ লাভ কৰি সমৃদ্ধিশালী হৈ উঠে। অৱশ্যেই অসমীয়া ভাষা,সাহিত্য আৰু সংস্কৃতি - এই তিনিওটা দিশৰে মধ্যযুগৰ সময়সীমা সুকীয়া সুকীয়া। ভাষাৰ ক্ষেত্ৰত মধ্যযুগৰ সময় ডঃ বাণীকান্ত কাকতিয়ে সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আদিভাগলৈকে ধৰিছে। তেওঁৰ পৰৱৰ্তী সময়ৰ অসমীয়া ভাষাৰ ইতিহাসবিদ তথা আলোচক সকলেও এই সময়সীমাকেই সমৰ্থন কৰিছে। এই যুগটোৰ ভাষাৰ নিদৰ্শন বুৰঞ্জী সাহিত্য, চৰিত সাহিত্য, ব্যৱহাৰিক সাহিত্য, বিবিধ কথা সাহিত্য, অংকীয়াধৰ্মী নাট্যসাহিত্য, চুফী কাব্য আৰু অন্যান্য পদ-পুথিৰ ভাষাই দাঙি ধৰে।

সাহিত্যৰ ক্ষেত্ৰত ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই মধ্যযুগৰ সময় খ্ৰীঃ ১৩০০ৰ পৰা ১৮৩০ লৈ ধৰিছে। তেওঁ আকৌ মধ্যযুগটোক প্ৰাক শংকৰী, শংকৰী আৰু উত্তৰ শংকৰী - এই তিনিটা উপ-যুগতো ভাগ কৰিছে। আনহাতে তেওঁৰ পূৰ্বে বা সমসাময়িকভাৱে প্ৰণয়ন কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জী বিষয়ক গ্ৰন্থত মধ্যযুগ বুলি এটা যুগৰ কথা কোনো এগৰাকী আলোচকে উল্লেখ কৰা দৃষ্টিগোচৰ হোৱা নাই। অৱশ্যেই প্ৰাক্ বৈষ্ণৱ,বৈষ্ণৱ, বিস্তাৰ যুগ অথবা প্ৰাক শংকৰ যুগ, শংকৰী যুগ আৰু শংকৰোত্তৰ যুগ বা উত্তৰ-শংকৰী যুগ নামকৰণেৰে মধ্যযুগটোক ভাগ ভাগ কৰি বিভিন্ন গ্ৰন্থত আলোচনা কৰা হৈছে। সময়ৰ সীমাৰেখাত কিছু তাৰতম্য থাকিলেও মধ্যযুগটোৰ সময়সীমা যথেষ্ট বহল। সেই বহল যুগটোত প্ৰাক শংকৰ উপ-যুগত মাধৱ কন্দলী, ৰুদ্ৰ কন্দলী, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী আৰু হৰিবৰ বিপ্ৰই বিভিন্ন কাব্য ৰচনা কৰি অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়োৱাৰ লগতে অসমীয়া সাহিত্য চৰ্চাৰ বাতাবৰণো সৃষ্টি কৰে। শংকৰী উপ-যুগত শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী, শ্ৰীধৰ কন্দলী, সাৰ্বভৌম ভট্টাচাৰ্য, ভট্টদেৱ আদি বৈষ্ণৱ ধাৰাৰ কবি আৰু দুৰ্গাবৰ, মনকৰ, পীতাম্বৰ, সুকবি নাৰায়ণদেৱ আদি পাঁচালি ধাৰাৰ কবিসকলে কাব্য ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল টনকীয়াল কৰে। শংকৰোত্তৰ উপ-যুগত ৰামচৰণ ঠাকুৰ, গোপাল আতা, দৈত্যাৰি ঠাকুৰ, ভূষণ দ্বিজ, ৰামানন্দ দ্বিজ, ৰামৰায়, দামোদৰ দ্বিজ আদিয়ে চৰিত সাহিত্য, কাব্য, নাট, গীত, পদ ৰচনা কৰাৰ লগতে বিভিন্নজন লেখকে বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য, অন্যান্য সাহিত্য ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ বিকাশ আৰু সমৃদ্ধিত বৰঙনি যোগায়।

আনফালে সংস্কৃতিৰ ক্ষেত্ৰত অসমীয়া সংস্কৃতিৰ বিকাশৰ মধ্যযুগটোক ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই ১২২৮ খ্ৰীঃত স্বৰ্গদেউ চুকাফাৰ নেতৃত্বত আহোমসকলৰ অসম আগমনৰ সময়ৰে পৰা ১৮২৬ খ্ৰীঃত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি বৃটিছসকল অসম অধিকাৰ কৰাৰ সময়লৈকে ধৰিছে। এই সুদীৰ্ঘ প্ৰায় ছশ বছৰীয়া যুগটোত বিশেষভাৱে আহোম ৰাজশাসনত বিকশিত ধাৰা আৰু মহাপুৰুষ শংকৰদেৱে নেতৃত্ব বহন কৰা নৱবৈষ্ণৱ আন্দোলনৰ যোগেদি বিকশিত ধাৰা - এই দুটা প্ৰধান ধাৰাৰ লগতে প্ৰাক নৱবৈষ্ণৱ ধাৰা অথবা প্ৰাক শংকৰী ধাৰা, শৈৱ ধাৰা, শাক্ত ধাৰা, জনজাতীয় ধাৰা আৰু নামনি অসমৰ বিভিন্ন ৰাজশাসনৰ ধাৰা আদি বিভিন্ন ধাৰাৰে সমগ্ৰ অসমত অসমীয়া সংস্কৃতিয়ে সংমিশ্ৰিত ৰূপত বিকশিত হৈ উঠে।

এই গ্ৰন্থখনত মধ্যযুগৰ ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক কেইবা গৰাকীও লেখকৰ বিভিন্ন লেখা সন্নিৱিষ্ট কৰা হৈছে। লেখাসমূহৰ তথ্য, দৃষ্টিভংগী আৰু বিচাৰ-বিশ্লেষণ লেখকৰ মতে ৰখা হৈছে; প্ৰয়োজন সাপেক্ষে দুই এঠাইত যোগ-বিয়োগ অথবা কিছু সাল-সলনি কৰা হৈছে।

গ্ৰন্থখনৰ নাম ***মধ্যযুগ*** বুলি ৰখা হৈছে যদিও মধ্যযুগৰ অসমৰ আটাইবোৰ দিশ লেখাৰ অভাৱত সাঙুৰিব পৰা নগ'ল। ভৱিষ্যতে সাঙুৰাৰ পৰিকল্পনাৰে গ্ৰন্থখনৰ নাম মধ্যযুগ ৰখা হৈছে। গ্ৰন্থখন অসমীয়া ভাষা-সাহিত্যৰ ছাত্ৰ-ছাত্ৰী তথা অনুসন্ধিৎসু পাঠকৰ সহায়ক হ'ব বুলি আশা কৰিছোঁ। গ্ৰন্থখনত কিবা ত্ৰুটি দেখা পালে গঠনমূলক পৰামৰ্শ আগবঢ়াবলৈও পাঠকসকলক অনুৰোধ জনালোঁ।

গ্ৰন্থখন সম্পাদনা কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহযোগিতা আগবঢ়োৱাৰ বাবে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ভাতৃপ্ৰতীম বন্ধু ড° অৰবিন্দ ৰাজখোৱাৰ লগতে পূৰ্বাঞ্চল মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শ্ৰীযুত বিনন্দ বৰুৱা, খেৰাজখাত মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শ্ৰীযুত দীপক বৰুৱা, কলাবাৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শ্ৰীযুত প্ৰশান্ত দাস, মুৰ্কংচেলেক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শ্ৰীযুত দুলেন পেগু, হাৰ্হি মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শ্ৰীযুত শৰৎ কুমাৰ চুতীয়া আৰু হাটশিঙিমাৰি মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক শ্ৰীযুত জেইল হুচেইনলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ ; লগতে লেখাসমূহ সময়মতে দি গ্ৰন্থৰূপ দিয়াৰ ক্ষেত্ৰত অৰিহণা আগবঢ়োৱা সকলো লেখকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

গ্ৰন্থ এখনে প্ৰাণ পাই উঠাৰ ক্ষেত্ৰত প্ৰকাশক আৰু ছপাখানাৰ ভূমিকা অনস্বীকাৰ্য। এই ছেগতে গুৱাহাটীস্থ নিৰীক্ষণ প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰীযুতা ৰাগিণী পূবালী বৰাৰ লগতে ছপাখানাৰ স্বত্বাধিকাৰী আৰু কৰ্মকৰ্তালৈও আন্তৰিক ধন্যবাদ যাচিছোঁ।

ৰাজু ৰেগন
২৫-০৯-২০১৬

# সূচীপত্ৰ


| | | |
|---|---|---|
| বিহুগীতত মধ্যযুগৰ ইতিহাস চেতনা | ৯ | প্ৰশান্ত দাস |
| অংকীয়া নাটৰ নাৰী চৰিত্ৰ | ২০ | দেৱযানী তামুলী |
| পীতাম্বৰ কবিৰ সাহিত্যকৃতিৰ মূল্যায়ন | ২৭ | ড° অপূৰ্ব কুমাৰ ডেকা |
| মাধৱদেৱৰ 'চোৰধৰা' ঝুমুৰা এক বিশ্লেষণাত্মক অধ্যয়ন | ৪৩ | ধনৰঞ্জন কলিতা |
| মধ্যযুগৰ অসমীয়া সাহিত্যৰ বিকাশত শঙ্কৰদেৱৰ অৱদান | ৫৪ | শিখামণি কোঁচ দেউৰী |
| শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্য | ৬২ | দুলেন পেগু |
| শংকৰোত্তৰ যুগৰ সাহিত্যত এভুমুকি | ৬৭ | জেইল হুচেইন |
| ব্ৰজাবলী ভাষাত মৈথিলী ভাষাৰ উপাদান | ৭২ | ড° দীপামণি হালৈ মহন্ত |
| কথা-গুৰু চৰিত্ৰৰ ভাষা | ৮৪ | ৰাজু ৰেগন |
| আহোম যুগৰ তিনিটা দৌল আৰু পৰ্যটনৰ সম্ভাৱনা | ৯৪ | ড° অৰবিন্দ ৰাজখোৱা |
| মধ্যযুগৰ অসমৰ চিত্ৰকলা | ১০৬ | ড° স্বাতী কিৰণ |
| আহোম স্থাপত্য ঃ এটি চমু আলোকপাত | ১১৫ | বিনি শইকীয়া |
| শঙ্কৰদেৱ আৰু অসমীয়া সংস্কৃতি | ১২১ | মেঘালী দত্ত |
| লখিমপুৰ জিলাৰ ইতিহাস প্ৰসিদ্ধ ধৰ্মীয় স্থানসমূহ | ১২৮ | মুন্‌মী দত্ত |
| আহোম যুগৰ মৈদাম প্ৰথা | ১৩৯ | বিনন্দ বৰুৱা |
| প্ৰাক্ শংকৰী আৰু শংকৰী সংস্কৃতি | ১৪৯ | কবিতা বৰা |
| অসমীয়া উপাধি সৃষ্টিত আহোমসকলৰ অৱদান | ১৫৪ | দীপক বৰুৱা |
| ঢকুৱাখনা মহকুমাৰ ঐতিহাসিক স্থানসমূহ | ১৬১ | শৰৎ কুমাৰ চুতীয়া |
| মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি | ১৬৬ | স্বপ্নালী বৰগোহাঁই |
| লেখক পৰিচিতি | ১৭৪ | |

# মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ আভাস

স্বপ্নালী বৰগোহাঁই

**অৱতৰণিকা ঃ**

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাস অতি প্ৰাচীন। অসমীয়া ভাষাৰ যুগ বিভাজন ইয়াৰ সাহিত্যৰ যুগ বিভাজনৰ গাত আউজিয়ে কৰা হৈছে। এই ক্ষেত্ৰত ড° বাণী কান্ত কাকতিয়ে অসমীয়া ভাষাৰ বুৰঞ্জীক বহলকৈ তিনিটা যুগত ভাগ কৰিছে - প্ৰাচীন অসমীয়া যুগটো চতুদৰ্শ শতিকাৰ পৰা ষোড়শ শতিকালৈ। ইয়াক আকৌ ক) প্ৰাক্-বৈষ্ণৱ আৰু খ) বৈষ্ণৱ উপ-যুগত ভাগ কৰিছে। মধ্য অসমীয়া যুগটো সপ্তদশৰ পৰা উনবিংশ শতিকাৰ আৰম্ভনিলৈ। এইটো আহোম ৰাজ সভাৰ গদ্য বুৰঞ্জীৰ যুগ। আধুনিক অসমীয়া যুগটো উনবিংশ শতিকাৰ পৰা বৰ্তমানলৈ ধৰা হৈছে।

ষোড়শ শতিকাৰ পিছৰ কালছোৱাৰ পৰা অসমীয়া ভাষা-সাহিত্যই এক নতুন মোৰ সলায়। গদ্য আৰু পদ্য উভয়তে ৰচিত অসমীয়া সাহিত্যৰাজিয়ে মধ্য যুগৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক পল্লৱিত কৰি তুলিলে। বিষয়বস্তু, ৰচনাৰীতি, গদ্যশৈলী আদি নতুন অভিলেখৰ সৃষ্টি কৰি মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যই আধুনিক অসমীয়া ভাষা-সাহিত্যৰ জন্মৰ পৃষ্ঠভূমি তৈয়াৰ কৰিলে। মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সমগ্ৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাসতে একক আৰু অনন্য ৰূপত প্ৰতিষ্ঠিত। এই যুগৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিশাল পটভূমিৰ আলোচনা অবিহনে অসমীয়া সাহিত্যৰ সামগ্ৰিক ৰূপৰ আলোচনা অসম্ভৱ। এই আলোচনাত মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ে আলোকপাত কৰা হ'ব।

**মধ্যযুগৰ অসমীয়া ভাষা ঃ**

ভাষা ৰীতিৰ ফালৰ পৰা মধ্যযুগৰ অসমীয়া সাহিত্যৰ ভাষাই প্ৰাচীন ৰূপৰ পৰিৱৰ্তন ঘটাই নতুন ৰূপত প্ৰতিষ্ঠিত হ'ল। ৰচনাৰ বিস্তৃতিলৈ লক্ষ্য কৰি এই যুগৰ সাহিত্যৰ ভাষাক এনেদৰে ভাগ কৰি আলোচনা কৰিব পাৰি ঃ



**চৰিত্ৰ সাহিত্যৰ ভাষা ঃ**

বৈষ্ণৱ ধৰ্ম গুৰু সকলৰ জীৱন কথাৰ আধাৰত গদ্য আৰু পদ্য উভয় মাধ্যমতে ৰচিত হোৱা চৰিত পুতিসমূহৰ সাহিত্যক মূল্য কম নহয়। তদুপৰি অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ধাৰাত এই চৰিত সাহিত্যৰ ভাষাৰ বিশেষ স্থান আছে। কথ্য ৰীতিৰ ওপৰত প্ৰতিষ্ঠিত ইয়াৰ ভাষাৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা হ'ল-

ধ্বনিগত বৈশিষ্ট্যৰ ক্ষেত্ৰত অপিনিহিতি, বৰ্ণবিপৰ্যয়, অঘোষীভৱন, অল্পপ্ৰাণীকৰণ, স্বৰভক্তি আদিৰ ধ্বনি পৰিৱৰ্তন গদ্যত ৰচিত চৰিত পুথিৰ বিশেষ বৈশিষ্ট্য। ইয়াৰ উপৰিও চ, ছ - উচ্চাৰণৰ পাৰ্থক্যহীনতা, শ,ষ,স - উচ্চাৰণৰ পাৰ্থক্যহীনতা, জ, য, ঝ - উচ্চাৰণৰ পাৰ্থক্যহীনতা আদি ইয়াৰ অন্যতম ধ্বনিগত বিশেষত্ব। উদাহৰণ স্বৰূপে - হাটি/হাতি, পাচে/পাছে ইত্যাদি।

ৰূপতাত্ত্বিক বিশেষত্বৰ ভিতৰত দেখা যায়,
ই, অনী আদি স্ত্ৰী প্ৰত্যয়ৰ প্ৰয়োগ - বুৰা/বুৰি, দাস/দাসী ইত্যাদি।
ই, অনী আদি স্ত্ৰী প্ৰত্যয়ৰ প্ৰয়োগ - বুৰা/বুৰি, দাস/দাসী ইত্যাদি। ভোৰ, -
সম্বন্ধবাচক শব্দৰ ক্ষেত্ৰত পিতা/মাতা, পো/বহাৰি আদিৰ প্ৰয়োগ হয়। ভোৰ, -
সব, -গণ আদি বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগ যেনে - জিভোৰ, বাপুসব, মুনি গণ আদি।
সৰ্বনাম শব্দৰ ভিতৰত মই, মোৰ, মঞি, আমি, তেঞে, তাৰাসৱ, সেইটে আদিৰ প্ৰয়োগ
দেখা যায়। নিৰ্দিষ্টতাবাচক প্ৰত্যয়- জুপি, -টুপি,-ফেৰি আদিৰ প্ৰয়োগ হয়।
চৰিত পুথিত প্ৰয়োগ হোৱা শব্দসমূহৰ ভিতৰত তৎসম, অৰ্দ্ধ তৎসম, হিন্দী,
বঙলা, উৰিয়া আদি শব্দ, আৰ্য-ভিন্ন শব্দ, কামৰূপী উপভাষাৰ শব্দ আদিৰ প্ৰয়োগ
আছে।

বাক্য প্ৰয়োগৰ ক্ষেত্ৰত চুটি চুটি বাক্যৰীতি, কেতিয়াবা দীঘল বাক্য ৰীতি, কথ্যভাষাৰ বাক্য গঠনৰ অনিয়মীত ৰূপ, কামৰূপী উচ্চাৰণ ৰীতি, জতুৱা ঠাঁচ, খণ্ডবাক্যৰ প্ৰয়োগ বিশেষভাৱে উল্লেখযোগ্য। বাক্যৰ বিভিন্ন প্ৰকাৰৰ ক্ষেত্ৰত বৰ্ণনাত্মক, প্ৰশ্নসূচক, অনুজ্ঞাসূচক, ইচ্ছাসূচক আদি বাক্যৰ প্ৰয়োগ ইয়াত বিভিন্ন ধৰণে ঘটিছে।

**বুৰঞ্জী সাহিত্যৰ ভাষা ঃ**

আহোম ৰজাসকলৰ সৰ্বশ্ৰেষ্ঠ অৱদান বুৰঞ্জীসমূহে অসমীয়া সাহিত্যৰ মধ্যযুগটো ঐশ্বৰ্যময় কৰি তুলিছে। গদ্য-পদ্য উভয়তে ৰচিত বুৰঞ্জীসমূহৰ ভাষাৰীতিয়ে অসমীয়া ভাষাক বিশেষভাৱে সমৃদ্ধ কৰিছে। এই গদ্য বুৰঞ্জীসমূহৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা হ'লঃ

**ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ**

স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ পৰিবৰ্তনঃ

অ > আ ঃ নবাবৰ > নাবাবৰ

| | |
|---|---|
| অ > এ | ঃ বাৰহাত> বাৰেহাত |
| অ > ই | ঃ বৰষুণ > বৰিষণ |
| ই > এ | ঃ যিখন > যেখন |
| ও > উ | ঃ তিৰোতা> তিৰুতা |
| ষ > খ | ঃ কাষৰত > কাখৰত |
| ব > ভ | ঃ ইবোৰ> ইভোৰ ইত্যাদি। |
| মহাপ্ৰাণীকৰণ | ঃ হাতিয়াৰ > হাথিয়াৰ / হাথীয়াৰ |
| অঘোষীভৱণ | ঃ গোটাচেৰেক > খোটাচেৰেক |
| অপিনিহিতি | ঃ চাৰিটা > চাইটা |

সংযুক্ত ব্যঞ্জন ঃ বঙাল > বঙ্গাল ইত্যাদি।

ৰূপতাত্ত্বিক বৈশিষ্ট্যঃ ঈ, - অনী, - নী আদি স্ত্ৰী প্ৰত্যয়ৰ প্ৰয়োগ। যেনে- লিগিৰা/ লিগিৰী, মিকিৰ/মিকিৰণী, গোসাই/গোসানী ইত্যাদি।

সৰ্বনামৰ ক্ষেত্ৰত মই, মঞি, আমাত, তোম্ৰা, তেওঁৰ, এহি আদিৰ প্ৰয়োগ আছে। -বোৰ, -ভুৰ, -ভোৰ, -বিলাক, -গিলা, -হঁত, আদি বহুবচনৰ প্ৰয়োগ। যেনেঃ ইবোৰ, ইভোৰ, ডাঙ্গৰীয়া বিলাক আদি। -জন, -গোট, -খন, -খান আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ হয়। নাস্ত্যৰ্থক ক্ৰিয়াৰূপত নাহে, নুৱাৰিলে, নাবুলিব, নবহয় আদিৰ প্ৰয়োগ দেখা যায়। ক্ৰিয়াৰ কৃদন্তৰূপত ওঁতে প্ৰত্যয় প্ৰয়োগ। যেনেঃ আহোঁতে, আছোঁতে আদি মনকৰিবলীয়া

শব্দতাত্ত্বিক বৈশিষ্ট্যৰ ক্ষেত্ৰত তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ, আৰ্যভিন্ন, দেশী, বিদেশী অনেক শব্দৰ পয়োভৰ বুৰঞ্জী ভাষাৰ বিশেষ বৈশিষ্ট্য। কোনো কোনো বুৰঞ্জীত বঙলা, হিন্দী, প্ৰাচনী অসমীয়া আদি শব্দ প্ৰয়োগ হোৱা দেখা যায়।

বাক্যতত্ত্বৰ ক্ষেত্ৰত চুটি চুটি, সৰল, মিশ্ৰ, যৌগিক, বৰ্ণনাত্মক, প্ৰশ্নসূচক, উপদেশমূলক বাক্যৰ প্ৰয়োগ বুৰঞ্জী সাহিত্যত দেখিবলৈ পোৱা যায়। তদুপৰি কৰ্তাহীন, কৰ্মহীন আৰু ক্ৰিয়াহীন বাক্যৰ ব্যৱহাৰো বুৰঞ্জীৰ গদ্যত পোৱা যায়।

পাচে, বোলে, সেহি সময়, সেইবেলা আদি শব্দেৰে বাক্য আৰম্ভ কৰাটো প্ৰায়বোৰ বুৰঞ্জীৰ ভাষাৰ বিশেষত্ব। বাক্য সংযোগ কৰিবৰ বাবে যেমনে, তেমনে, যেখন-তেখন আদি শব্দৰ ব্যৱহাৰ বুৰঞ্জীত দেখা যায়। উপমা, দৃষ্টান্ত, ফকৰা-যোজনা আদিৰ যথাৰ্থ প্ৰয়োগে বুৰঞ্জী সাহিত্যৰ ভাষাক আৱশ্যকীয় গাম্ভীৰ্য প্ৰদান কৰিছে।

**ব্যৱহাৰিক সাহিত্যৰ ভাষাঃ**

অষ্টাদশ শতিকাত জ্যোতিষ, অঙ্কৰ আৰ্যা, আয়ুবেদ, নৃত্যগীত, গৃহনিৰ্মাণ, নিদান আদি বিষয়ক ব্যৱহাৰিক জ্ঞানৰ কেইবাখনো পুথি পোৱা যায়।



গদ্য আৰু পদ্য উভয়তে ৰচিত হোৱা এইবিধ সাহিত্যত ব্যৱহৃত ভাষাৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা হ'ল-

ধ্বনিতত্ত্বৰ ক্ষেত্ৰত স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ প্ৰয়োগত বিশেষত্ব লক্ষণীয়। উদাহৰণ স্বৰূপে -

| | | |
|---|---|---|
| অ > উ | ঃ নৰিয়া > নুৰৰিয়া | - হস্তী বিদ্যাৰ্ণৱ |
| অ' > অ | ঃ ক'লা > কলা | - হস্তী বিদ্যাৰ্ণৱ |
| ই > এ | ঃ হতুৰাই > হতুৰাএ | - নীতি লতাঙ্কুৰ |
| ষ > খ | ঃ কাষত> কাখত | - নীতি লতাঙ্কুৰ |
| জ > ঝ | ঃ এজোপা> এঝোপা | - হস্তী বিদ্যাৰ্ণৱ, নীতি লতাঙ্কুৰ |

যুক্তব্যঞ্জনৰ ক্ষেত্ৰত বিশেষ প্ৰয়োগ মনকৰিবলগীয়া। যেনে- টাঙ্গন, ডাঙ্গৰ, ডিঙ্গি আদি।

ৰূপতাত্ত্বিক দিশতো ক্ৰিয়া, শব্দ বিভক্তি আৰু কাৰক, বচন, সৰ্বনাম, লিঙ্গ, নিৰ্দিষ্টতাবাচক প্ৰত্যয় আদিৰ বুৰঞ্জীৰ ভাষাৰ লগত কিছু সাদৃশ্য দেখা যায়। শব্দৰ ক্ষেত্ৰতো তৎসম, তদ্ভৱ আদি শব্দৰ উপৰিও কামৰূপী উপভাষাৰ শব্দৰ প্ৰাধান্য লক্ষ্যণীয়। বাক্যৰীতিৰ ক্ষেত্ৰত সৰল, কোমল আৰু পোনপটীয়া বাক্যৰ প্ৰয়োগ দেখা যায়।

কাব্য, গীত-পদ, নাট আৰু বিবিধ বিষয়ক সাহিত্যৰ ভাষাঃ

মধ্যযুগৰ অসমীয়া কাব্য সাহিত্য আৰু গীত-পদৰ ভাষাত অসমীয়া ব্ৰজাৱলী আৰু প্ৰাচীন অসমীয়া ভাষা এই দুয়োৰে সংমিশ্ৰণ পৰিলক্ষিত হয়। স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত প্ৰাচীন অসমীয়া ভাষা গ্ৰহণ কৰা দেখা যায়। ৰূপতাত্ত্বিক দিশতো শব্দ ৰূপ, ক্ৰিয়া ৰূপ, ক্ৰিয়াৰ কাল আদিতো একে বৈশিষ্ট্য পৰিলক্ষিত হৈছে।

এই যুগৰ অঙ্কীয়া নাটসমূহত ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰা হৈছে যদিও এইবোৰ ক্ৰমাৎ কথিত ভাষাৰ কাষ চাপি যোৱা পৰিলক্ষিত হয়। ধ্বনিতত্ত্বৰ ক্ষেত্ৰত স্বৰ আৰু ব্যঞ্জনৰ পৰিবৰ্তন (আ>আ, আ>এ, ত>স্ত আদি), ৰপুতাত্ত্বিক দিশত শব্দবিভক্তি, ক্ৰিয়াবিভক্তি, ক্ৰিয়াৰ বিভিন্ন ৰূপ, বহুবচনাত্মক প্ৰত্যয় আদি সকলোতে আধুনিক ৰূপ লাভ কৰাৰ প্ৰয়াস দেখা যায়।

বিবিধ বিষয়ক সাহিত্যৰ ভাষাৰ লগত বুৰঞ্জীৰ ভাষাৰ সাদৃশ্য লক্ষ্য কৰা যায়। স্বৰধ্বনি, ব্যঞ্জন ধ্বনিৰ, শব্দৰূপ, ক্ৰিয়া ৰূপ আদি সকলোতে আধুনিক ৰূপ লাভ কৰা দেখা যায়।

ওপৰত উল্লেখ কৰা সাহিত্য ৰাজিৰ উপৰিও বংশাৱলী, পেৰা কাকত, চিঠি পত্ৰ আদিৰ ভাষাইও এই যুগক সমৃদ্ধ কৰিছে।

**মধ্যযুগৰ অসমীয়া সাহিত্য ঃ**

মধ্যযুগৰ অসমীয়া সাহিত্যৰ সময় চতুৰ্দশ শতিকাৰ পৰা ধৰা হয় যদিও এই আলোচনাৰ সুবিধাৰ বাবে ইয়াত সপ্তদশ শতিকাৰ পৰা ধৰা হৈছে। অসমীয়া সাহিত্যই বহুমুখী গতিৰে বিকাশ লাভ কৰে। এনে বহুমুখী বিকাশৰ দিশবোৰৰ ভিতৰত বুৰঞ্জী সাহিত্য, চৰিত সাহিত্য, কাব্য সাহিত্য, নাট্য সাহিত্য আৰু গীতি সাহিত্যই প্ৰধান।

**বুৰঞ্জী সাহিত্যঃ**

আহোম ৰজাসকলৰ সৰ্বশ্ৰেষ্ঠ অৱদান বুৰঞ্জী সাহিত্য অসমীয়া সাহিত্যৰ এক উল্লেখযোগ্য কীৰ্তি। বুৰঞ্জীসমূহ প্ৰথমে আহোম ভাষাত ৰচিত হৈছিল বুলি জনা যায়। অষ্টাদশ শতিকাৰ প্ৰাৰম্ভৰ পৰাহে অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ প্ৰৱাহ লক্ষ্য কৰা যায়। 'কামৰূপ অনুসন্ধান সমিতি' আৰু 'বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে' এতিয়ালৈকে ডেৰ শৰো অধিক বুৰঞ্জী উদ্ধাৰ কৰিছে। বহুতো বুৰঞ্জী উদ্ধাৰ হ'বলৈ বাকী আছে আৰু বহুতো বুৰঞ্জীৰ বিভিন্ন কাৰণত ধ্বংস হৈছে। এতিয়ালৈকে প্ৰকাশিত বুৰঞ্জীসমূহৰ ভিতৰত 'পুৰণি অসম বুৰঞ্জী', 'তুংখুঙীয়া বুৰঞ্জী', 'দেওধাই বুৰঞ্জী', 'অসম বুৰঞ্জী', 'সাতসৰী অসম বুৰঞ্জী', 'সদৰামীনৰ বুৰঞ্জী', 'চাংৰুং ফুকনৰ বুৰঞ্জী' আদি উল্লেখযোগ্য। কাব্যৰূপত ৰচিত বুৰঞ্জীৰ ভিতৰত 'অসম পদ্য বুৰঞ্জী' আৰু 'বেলিমাৰৰ বুৰঞ্জী' উল্লেখযোগ্য। আহোম ৰাজতন্ত্ৰৰ সৈতে সম্পৰ্ক থকা চুবুৰীয়া ৰাজ্যৰ বুৰঞ্জীও ৰচিত হৈছিল। ইয়াৰ ভিতৰত 'কছাৰী বুৰঞ্জী', 'জয়ন্তীয়া বুৰঞ্জী', ত্ৰিপুৰা বুৰঞ্জী' 'পাদশ্যাহ বুৰঞ্জী আদি উল্লেখযোগ্য।

**চৰিত সাহিত্য ঃ**

অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ শিষ্য মাধৱদেৱ আৰু অন্যান্য ধৰ্ম প্ৰচাৰকসকলৰ জীৱন চৰিত ৰচনা এই যুগৰ অপূৰ্ব সাহিত্যকৰ্ম। গদ্য আৰু পদ্য-উভয় ৰূপতে ৰচিত চৰিত পুথিসমূহৰ ভিতৰত পদ্যত ৰচনা কৰা চৰিত পুথিসমূহ হ'ল ৰামচৰণ ঠাকুৰৰ 'শঙ্কৰ চৰিত', ভূষণ দ্বিজৰ 'শঙ্কৰ চৰিত', দৈত্যাৰি ঠাকুৰৰ 'শঙ্কৰদেৱ-মাধৱদেৱ চৰিত্ৰ', ৰামানন্দ দ্বিজৰ 'শঙ্কৰ চৰিত', ৰামৰায়ৰ 'গুৰুলীলা', বৈকুণ্ঠনাথ দ্বিজৰ 'সন্তমালা' আদি। গদ্যত ৰচনা কৰা চৰিত পুথিসমূহৰ ভিতৰত 'কথা গুৰুচৰিত' (উপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত) 'বৰদোৱা গুৰুচৰিত' (মহেশ্বৰ নেওগ সম্পাদিত), গোবিন্দ দাসৰ 'সন্ত সম্প্ৰদা কথা' উল্লেখযোগ্য।

ব্যৱহাৰিক সাহিত্যঃ

মধ্যযুগৰ বিভিন্ন সাহিত্যৰ ভিতৰত ব্যৱহাৰিক জ্ঞানৰ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়াইছে। আয়ুৰ্বেদ শাস্ত্ৰ, নিদান, জ্যোতিষ, অঙ্ক আৰ্যা, নৃত্য-গীত, গৃহনিৰ্মাণ আদি বিষয়ৰ গ্ৰন্থৰাজি এই শ্ৰেণীৰ সাহিত্য।

ব্যৱহাৰিক সাহিত্যৰ ভিতৰত-সুকুমাৰ বৰকাথৰ 'হস্তী বিদ্যাৰ্ণৱ', 'ঘোঁৰা নিদান',



কবিৰাজ চক্ৰৱৰ্তীৰ 'ভাস্বতী', সুচান্দ ওজাৰ 'শ্ৰীহস্তমুক্তাৱলী', কাশীনাথৰ 'অঙ্কৰ আৰ্যা', মধুমিশ্ৰ বাগীশৰ 'নীতি-লতাঙ্কুৰ', কবিৰত্ন দ্বিজৰ 'লীলাৱতী', বকুল কায়স্থৰ 'কিতাবত-মঞ্জৰী' আদি উল্লেখযোগ্য।

**তান্ত্ৰিক আৰু শাক্ত সাহিত্য ঃ**

মধ্যযুগত আহোম ৰজাঘৰীয়া অনুপ্ৰেৰণা লাভ কৰা বহু কবিয়ে শাক্ত আৰু তান্ত্ৰিক মতৰ সাহিত্যও ৰচনা কৰিছিল। এনে সাহিত্যৰ ভিতৰত ৰামচন্দ্ৰ বৰপাত্ৰৰ 'যোগিনী তন্ত্ৰ'ৰ অসমীয়া অনুবাদ, ৰুচিনাথ কন্দলীৰ 'মাৰ্কণ্ডেয় চণ্ডী' আৰু 'কল্কি পুৰাণ'ৰ পদ ৰচনা, অনন্ত আচাৰ্যৰ 'আনন্দ লহৰী' উল্লেখযোগ্য।

**কাব্য সাহিত্য ঃ**

মধ্যযুগত আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত ৰামায়ন-মহাভাৰত আৰু পুৰাণৰ আধাৰত বহুকেইজন অসমীয়া কবিয়ে কাব্য ৰচনা কৰে। ইয়াৰ ভিতৰত কবিৰাজ চক্ৰৱৰ্তীৰ 'শকুন্তলা কাব্য' আৰু 'শঙ্খচূড় বধ', ৰমানন্দ দ্বিজৰ 'উষাগীত' আদি ৰচনা, কবিচন্দ্ৰ দ্বিজৰ 'ধৰ্ম-পুৰাণ', দুৰ্গেশ্বৰ দ্বিজৰ 'ব্ৰহ্মবৈৱৰ্ত পুৰাণ', লক্ষ্মীনাথ দ্বিজৰ 'শান্তি পৰ্ব', ভোলানাথ দ্বিজৰ 'শল্যপৰ্ব', ৰমানন্দ দ্বিজৰ 'উদ্যোগ পৰ্ব', পৃথুৰাম দ্বিজৰ 'মুষল পৰ্ব'ৰ অসমীয়ালৈ অনুবাদ আদি উল্লেখযোগ্য।

**নাট্য সাহিত্য ঃ**

মহাপুৰুষ শঙ্কৰদেৱৰ নাটৰ অনুকৰণত এই যুগতো নাট ৰচনা হৈছিল। এইনাটসমূহৰ ভিতৰত ৰুচিদেৱৰ 'কুমৰ হৰণ', জয়দেৱৰ 'সিন্ধু-যাত্ৰা', কমলচন্দ্ৰৰ 'কুলাচল বধ' গোপলৰ 'সীতাহৰণ', লক্ষ্মীনাথ দাসৰ 'কুমৰ হৰণ', দৈত্যাৰি ঠাকুৰৰ 'নৃসিংহ যাত্ৰা' শ্ৰী ৰাম আতাৰ 'সুভদ্ৰাহৰণ', ৰামচৰণ ঠাকুৰৰ 'কংসবধ', ভূষণ দ্বিজৰ 'অজামিল উপাখ্যন' আদি উল্লেখযোগ্য।

**গীতি সাহিত্য ঃ**

আহোম ৰজাসকলৰ ৰাজত্বকালত যথেষ্ট সংখ্যক গীত-পদ ৰচিত হৈছিল। জয়ধ্বজ সিংহ, ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ভণিতা থকা বহুকেইটা গীত পোৱা যায়। তদুপৰি সপ্তদশ-অষ্টাদশ শতিকাত ৰচিত গীতৰ সংগ্ৰহ বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত 'শ্ৰী ৰাম আৰু ৰমানন্দৰ গীত, ৰাজীৱলোচন গোস্বামী সম্পাদিত 'গীতমন্দাকিনী', কেশৱানন্দ দেৱগোস্বামীৰ 'শঙ্কৰোত্তৰ গীত-সংকলন' আদি সংগ্ৰহসমূহত পাঁচশৰো অধিক গীত সন্নিবিষ্ট হৈছে। জয়মতী কুঁৱৰীৰ গীত, গৌৰীনাথ সিংহৰ গীত, ৰাধা-ৰুক্মিণীৰ গীত আদি মালিতাসমূহো এই সময়ৰে সৃষ্টি।

**বিবিধ বিষয়ক সাহিত্য ঃ**

মধ্যযুগৰ অসমীয়া সাহিত্যৰ অন্তৰ্গত আৰু এবিধ সাহিত্য হ'ল বিবিধ বিষয়ৰ

সাহিত্য। এই শ্ৰেণীৰ সাহিত্যৰ বিষয়বস্তু আৰু ভাববস্তুৰ দিশত বিচিত্ৰতা দেখা যায়। এই শ্ৰেণীৰ সাহিত্যৰ ভিতৰত কৃষ্ণানন্দ দ্বিজৰ 'পূৰ্ণ ভাগৱত', বালকান্তৰ 'বৈষ্ণৱী গীতা', বিষ্ণু দাসৰ 'নাৰদ চৰিত', নৰোত্তম ঠাকুৰৰ 'ভক্তি প্ৰেমাৱলী', কামদেৱ বিপ্ৰৰ 'আশোক চৰিত', জগন্নাথ দ্বিজৰ 'লক্ষ্মী চৰিত', ৰামানন্দ দ্বিজৰ 'মহামোহ কাব্য' আদি উল্লেখযোগ্য।

**মধ্যযুগৰ অসমীয়া সংস্কৃতি ঃ**

অসমীয়া সংস্কৃতিৰ ইতিহাস পৰিক্ৰমাত এহাতে আহোম ৰাজশক্তি আৰু আনহাতে শঙ্কৰী সংস্কৃতি- এই দুই শক্তিয়ে অসমীয়া সংস্কৃতিক পৰিবৰ্দ্ধিত আৰু বৈচিত্ৰময় কৰি তুলিছে। মধ্যযুগৰ অসমীয়া সংস্কৃতিৰ বিকাশত আহোম স্বৰ্গদেউসকলৰ ভূমিকা বহুমুখী। তেওঁলোকৰ উদাৰনৈতিক দৃষ্টিভংগীৰ বাবেই আহোম শাসনকালত ভিন্ন জনগোষ্ঠীসমূহে গোষ্ঠীগত চেতনাক পৰিহাৰ কৰি বৃহত্তৰ অসমীয়া জাতিসত্ত্বা গঢ়ি তুলিছিল।

জাতীয় সংস্কৃতিৰ বিকাশৰ বাবে ৰাজনৈতিক সুস্থতা যিদৰে প্ৰয়োজনীয়, সেইদৰে অৰ্থনৈতিক স্বচ্ছলতাও অপৰিহাৰ্য। আহোম ৰাজতন্ত্ৰত সমগ্ৰ দেশতে কৰ্মসংস্কৃতি গঢ়ি তোলা হৈছিল। ৰাজ্যখনত সৰু-বৰ বাট-পথ নিৰ্মাণ কৰা, প্ৰতিঘৰ মানুহৰ বাৰীত ফলমূলৰ গছ ৰুৱা, স্ত্ৰী-পুৰুষ উভয়ে প্ৰাত্যহিত জীৱনক কৰ্মময় কৰি তোলাৰ যি পৰিকল্পনা কৰিছিল, সিয়ে দেশীয় অৰ্থনীতিক সবল কৰিছিল।

আহোম শাসন কালত সাহিত্য, সংগীত, চিত্ৰ, স্থাপত্য-ভাস্কৰ্য আদি কলা চৰ্চা ৰাজঘৰৰ পৰা প্ৰজাঘৰলৈ সম্প্ৰসাৰিত হৈছিল। সাহিত্য, নৃত্য, গীত আদি ৰজাঘৰীয়া পৃষ্ঠপোষকতাত বিকশিত হৈছিল। সেইদৰে মধ্যযুগত চিত্ৰকলাৰ চৰ্চায়ো উন্নত ৰূপ লাভ কৰিছিল। এই ক্ষেত্ৰত চিত্ৰ ভাগৱত, লৱকুশৰ যুদ্ধ, আনন্দ লহৰী, ধৰ্মপুৰাণ, সচিত্ৰ নামঘোষা, সচিত্ৰ আহোম জ্যোতিষ আদি সচিত্ৰ পুথিবোৰেই প্ৰমাণ কৰে যে, মধ্যযুগত অসমত চিত্ৰকলাৰ দ্ৰুত বিকাশ হৈছিল।

মধ্যযুগত সুকুমাৰ কলাৰ বিকাশৰ অন্যতম দিশ হিচাপে স্থাপত্য-ভাস্কৰ্যৰ কথাও উল্লেখ কৰিব পাৰি। আহোম শাসন কালত এই দুই বিধ কলাৰ বিকাশ ব্যাপকভাৱে হৈছিল। ৰাজ্যখনৰ সৰ্বত্ৰ দ'ল-দেৱালয়, মঠ-মন্দিৰ, শিলৰ সাকোঁ আদিৰ নিৰ্মাণ হৈছিল। পকী-ঘৰবোৰৰ গাত শিলত কটা ভাস্কৰ্য যেনে- ফুল-পাত, দেৱ-দেৱীৰ মূৰ্তি, জীৱ-জন্তুৰ মূৰ্তি আদি অঙ্কন কৰা হৈছিল।

মধ্যযুগত আহোম ৰাজতন্ত্ৰৰ দৰে শঙ্কৰদেৱৰ বিপুলায়তন প্ৰতিভাৰ ফলত সৃষ্টি হোৱা শঙ্কৰী সংস্কৃতিয়েও অসমীয়া সংস্কৃতিক কলাগুণ সম্পন্ন ৰূপত সৰ্বভাৰতীয় সংস্কৃতিৰ ৰূপ দিলে। শঙ্কৰদেৱে যি নাট, সাহিত্য আদি ৰচনা কৰিছিল, সেই আদৰ্শকে



অনুকৰণ কৰি মধ্যযুগত যথেষ্ট সংখ্যক নাট, গীতি সাহিত্য, অনুবাদ সাহিত্য আদি ৰচিত হ'বলৈ ধৰে। তদুপৰি ভাওনাৰ যোগেদি অভিনয় কলা, নৃত্য-গীত-বাদ্য আদিৰ দিশতো অসমীয়া সংস্কৃতি উচ্চ স্তৰলৈ উত্তৰণ ঘটে। শঙ্কৰদেৱে কাঠ, বাঁহ আদিৰে যি নামঘৰ নিৰ্মাণ কৰিলে, সেই নামঘৰক অসমীয়া সংস্কৃতিৰ যাদুঘৰ বুলিব পাৰি। নামঘৰ নামধৰ্মৰ কেন্দ্ৰ হ'লেও ই জাতীয় জীৱনৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এই নামঘৰত কেৱল নৃত্য-গীত, চাৰুশিল্প আদি উৎকৰ্ষ সাধন কৰাই নহয় থলুৱা ধ্যান-ধাৰণাৰ লোক-উৎসৱসমূহো গুৰুত্বসহকাৰে পালন কৰা হয়। এই সত্ৰ আৰু সত্ৰৰ নামঘৰে অসমৰ কলা-কৃষ্টিক সমৃদ্ধি ঘটোৱাৰ লগতে সংৰক্ষণ কৰি আহিছে.

মুঠৰ ওপৰত আহোম ৰাজতন্ত্ৰ আৰু শঙ্কৰী সংস্কৃতি - এই দুই সৃষ্টি ধৰ্মী তথা গতি ধৰ্মী শক্তিৰ বাবেই মধ্যযুগৰ অসমীয়া সংস্কৃতিয়ে ব্যাপ্তি আৰু গভীৰতা লাভ কৰিছিল।

**উপসংহাৰ ঃ**

মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ থুলমূল আলোচনাত দেখা যায় যে বিষয়বস্তুৰ বৈচিত্ৰ, ৰচনা ভঙ্গীৰ বৈশিষ্ট্য, সুকুমাৰ কলা, স্থাপত্য-ভাস্কৰ্য আদিয়ে সমগ্ৰ যুগটোৰ বিশালতাৰ আভাস দিয়ে। ভাষাৰ ক্ষেত্ৰতো এই সময়ৰ সাহিত্যইনতুনত্ব দাবী কৰিব পাৰে। প্ৰাচীন ঐতিহ্য ৰক্ষা কৰিও আধুনিক ৰূপ লাভ কৰিবলৈ প্ৰয়াস কৰা এই সাহিত্যৰাজিয়ে সমগ্ৰ অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসতে স্বৰ্ণময় পথ ৰোপন কৰে। সামগ্ৰিক ভাৱে এই মধ্যযুগটোৱে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ অভূতপূৰ্ব অৱদান আগবঢ়াইছে।

**প্ৰসঙ্গ পুথি ঃ**

কোঁৱৰ, অৰ্পণা ঃ প্ৰাচীন অসমীয়া গদ্যশৈলী, ২০১৪, বনলতা, নতুন বজাৰ, ডিব্ৰুগড়-১

গগৈ, লীলা ঃ অসমৰ সংস্কৃতি, ১৯৯৩, বীণা লাইব্ৰেৰী, গুৱাহাটী১

ঠাকুৰ, নগেন (সম্পা)

সেনডেকা, খগেন ঃ ভাষা-চিন্তা-বিচিত্ৰা, ২০০০, পূবেৰুণ, গুৱাহাটী-১

ফুকন পাটগিৰি, দীপ্তি ঃ মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি, ১৯৯৭, বনলতা, ডিব্ৰুগড়-১

বৰুৱা, প্ৰহলাদ কুমাৰ ঃ ধৰ্ম সাহিত্য সংস্কৃতি, ২০০৩, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়-৩

ভট্টাচাৰ্য, বসন্ত কুমাৰ ঃ মধ্য যুগৰ সাহিত্য, ১৯৯৪, সমন্বয় গ্ৰন্থালয়, নলবাৰী, অসম

শৰ্মা, সতেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৯৬, ৰিহাবাৰী, গুৱাহাটী-৮

# ইয়াত আছে

অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ মধ্যযুগ সম্পৰ্কীয় ১৯ টা প্ৰবন্ধ। লেখকসকল ঃ ড° অপূৰ্ব কুমাৰ ডেকা, ড° অৰবিন্দ ৰাজখোৱা, কবিতা বৰা, জেইল হুছেইন, দীপক বৰুৱা, ড° দীপামণি হালৈ মহন্ত, দুলেন পেগু, দেৱযানী তামুলী, ধনৰঞ্জন কলিতা, প্ৰশান্ত দাস, বিনন্দ বৰুৱা, বিনি শইকীয়া, মুনমী দত্ত, মেঘালী দত্ত, ৰাজু বেগন, শৰৎ কুমাৰ চুতীয়া, শিখামণি কোঁচ দেউৰী, স্বপ্নালী বৰগোহাঁই আৰু ড° স্বাতী কিৰণ

নীলকণ্ঠ

₹200.00

ISBN 978-93-82723-40-0

9 789382 723400